স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ বুধবাৰ □ ১০ ভাদ ১৯৪৭ শক □ ২৭ আগষ্ট ২০২৫ চন □ VOL-15 □ NO-172 □ WEDNESDAY 27 AUGUST 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

## সুপ্ৰভাত

আজিৰ দিনটোতে—

লডোভাত স্বাধীনতা দিৱস।

১৯৫৫ত গিনীজ বুক অৱ ৰেকৰ্ডছৰ প্ৰথম সং গ্ৰেট ব্ৰিটেইনত প্ৰকাশ।

১৯৬২ত নাছাৰ দ্বাৰা মেৰিনাৰ ২ মানৱবি মহাকাশ অভিযান।

১৯১৯ত ভাৰতৰ প্ৰথম মহিলা বৈদ্যুতিক অভিযন্তা এ ললিতাৰ জন্ম।

১৯৫৭ত ভাৰতৰ ৪৮সংখ্যক মুখ্য ন্যায়াধীশ নুথালাপতি ভেংকট ৰমনাৰ জন্ম।

১৯০৮ত আমেৰিকাৰ ৩৬সংখ্যক ৰাষ্ট্ৰপতি লিণ্ডন বি জনছনৰ জন্ম।

D.H.S.K. College, A.C.S.C. Library
Estd.-1945
Date.........
Dibrugarh, Assam

### ‘শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্ৰতিক অসমৰ যুৱ সমাজ’ শীৰ্ষক বক্তৃতা প্ৰদান

# কানৈ মহাবিদ্যালয়ত গুৰুজনাৰ তিৰোভাৱ তিথিত বক্তৃতানুষ্ঠান



বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ আগষ্ট ঃ ‘শিল্প চেতনাই মানুহক উন্নতিৰ শিখৰত আগুৱাই যোৱাত সহায় কৰে’। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ যৌথ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° গোপাল হাজৰিকাই কালি এইদৰে কয়। ‘শংকৰদেৱৰ চিন্তাধাৰা আৰু সাম্প্ৰতিক অসমৰ যুৱ সমাজ’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড° হাজৰিকাই কয়— শিল্পী হ’বলৈ হ’লে, শিল্পক জীয়াই ৰাখিবলৈ হ’লে সাধাৰণ মানুহৰ হৃদয় চুই যাব লাগিব আৰু মানুহৰ হৃদয় স্পৰ্শ কৰিব পাৰিব লাগিব। তেওঁ কয়— সাধাৰণ মানুহ সোঁতৰ গতিত উটি যায়, আনহাতে মহাপুৰুষসকলে সোঁতৰ বিপৰীতে গতি কৰিব পাৰে। সেই সোঁতৰ বিপৰীতে গতি কৰিব পৰা গুণ থকাৰ বাবেই সেইসকলে সাধাৰণ মানুহৰ পৰা মহাপুৰুষৰ শাৰীলৈ গতি কৰে। মুখ্য দ্বাৰৰ পৰা ছাত্ৰী নিৱাসৰ আৱাসীসকলে আৰতিৰে উষ্ম আদৰণি জনাই নিয়া অনুষ্ঠানত ড° হাজৰিকাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰি কয়— শংকৰদেৱ নিজেই এখন বিশ্ববিদ্যালয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ বহু গায়কৰ সৃষ্টি কৰিলে। ড° হাজৰিকাই তেওঁৰ ভাষণ প্ৰসংগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সকলোকে কেনেদৰে সমদৃষ্টিৰে চাই, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে এখন সুন্দৰ সমাজ গঢ়িবলৈ চেষ্টা কৰিছিলে, সেই বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজিক ভৱিষ্যতে জীয়াই ৰাখিবলৈ হ’লে যুৱ প্ৰজন্মৰ কি কি কৰণীয় আছে সেই বিষয়ে ব্যাখ্যা কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসৰ আৱাসীসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি এনেধৰণৰ এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বন্তি প্ৰজ্বলন আৰু ছাত্ৰী সংস্কৃতা শইকীয়াৰ বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব, ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ মুখ্য অধীক্ষক ড° জ্যোতিপ্ৰসাদ ফুকন, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক, ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ অধীক্ষক ড° বিৰাজ দত্ত উপস্থিত থাকি মননশীল বক্তব্য প্ৰদান কৰে। ছাত্ৰী নীহাৰিকা শইকীয়াই মুখ্য বক্তা ড° গোপাল হাজৰিকাৰ চমু পৰিচয় আগবঢ়োৱা অনুষ্ঠানত ছাত্ৰী বিদিশা হাজৰিকাৰ সত্ৰীয়া নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাস আৰু ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ ভালেসংখ্যক আৱাসী উপস্থিত থাকে।